জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৬৮/২০২০

## ‘বৃন্দাবনী বস্ত্ৰ’ শীৰ্ষক গ্ৰন্থ উন্মোচন কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ব্যক্তিত্বৰ বিভিন্ন দিশ উদ্ভাসিত কৰিব পৰাকৈ গ্ৰন্থ ৰচনা কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ৩০ ডিচেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অসম সৃষ্টি বৃন্দাবনী বস্ত্ৰৰ সম্পৰ্কে ‘বৃন্দাবনী বস্ত্ৰ’ শীৰ্ষক গৱেষণালব্ধ গ্ৰন্থ উন্মোচন কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। মৃণাল চন্দ্ৰ কলিতাই ৰচনা কৰা তথা ৰেখা প্ৰকাশনৰ হৈ দেবেন কলিতাই প্ৰকাশ কৰা গ্ৰন্থখন মুখ্যমন্ত্ৰী সোণোৱালে অসম বিধান সভা চৌহদৰ সভাকক্ষত অনুষ্ঠিত এক কাৰ্যসূচীত উন্মোচন কৰে।

গ্ৰন্থখনৰ ৰচক মৃণাল চন্দ্ৰ কলিতাৰ পদক্ষেপৰ প্ৰশংসা কৰি মুখ্যমন্ত্ৰী সোণোৱালে বক্তব্যত এই গ্ৰন্থখনৰ জৰিয়তে পাঠক সমাজে মহাপুৰুষগৰাকীৰ অপূৰ্ব সৃষ্টি বৃন্দাবনী বস্ত্ৰৰ বিভিন্ন দিশ সম্পৰ্কে বিশদভাৱে জানিবলৈ সুযোগ পাব বুলি আশা প্ৰকাশ কৰে। মহাপুৰুষগৰাকীৰ বহুমুখী ব্যক্তিত্বৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে তেখেতৰ ব্যক্তিত্বৰ বিভিন্ন দিশ উদ্ভাসিত কৰিব পৰাকৈ গ্ৰন্থ ৰচনা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ এগৰাকী সমাজ সংস্কাৰক, আধ্যাত্মিক গুৰু, সাংস্কৃতিক পুৰোধাকে ধৰি যি বহুমুখী ব্যক্তিত্বৰ অধিকাৰী আছিল সেই বিষয়ে বিতং গৱেষণাৰ প্ৰয়োজন আছে। এই দিশত লেখকসকলে গভীৰভাৱে অধ্যয়ন কৰি বিস্তৃত বিৱৰণেৰে গ্ৰন্থ ৰচনা কৰিলে সমাজখন যথেষ্ট উপকৃত হ’ব।

ৰাজ্যৰ আৰ্থ-সামাজিক তথা আধ্যাত্মিক জীৱনলৈ গুৰুজনাই আগবঢ়াই যোৱা অৱদানৰ আলোকপাত কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মহাপুৰুষজনাৰ জন্মস্থান বটদ্ৰৱাক নতুন ৰূপত ৰাজ্য চৰকাৰে গঢ়ি তুলিব। মুখ্যমন্ত্ৰীয়ে কয় যে অমৃতসৰৰ স্বৰ্ণ মন্দিৰৰ দৰে বটদ্ৰৱাকো আধ্যাত্মিক পৰ্যটনৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে। সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক দিশে ৰাজ্যৰ জনসমাজত সদায় প্ৰাধান্য লাভ কৰি আহিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সম্পদৰাজিৰ প্ৰতি উপযুক্ত শ্ৰদ্ধা প্ৰদৰ্শন কৰি অসম চৰকাৰে বিকাশৰ নতুন পৰিৱেশ ৰচনা কৰিবলৈ বিগত চাৰে চাৰি বছৰে নিৰৱচ্ছিন্নভাৱে কাম কৰিছে।

এই গ্ৰন্থ উন্মোচনী সভাত অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ ৰঞ্জিত দাস, প্ৰাক্তন উপাধ্যক্ষ দিলীপ কুমাৰ পাল, স্বাস্থ্য আৰু পৰিকল্পনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী পীযুষ হাজৰিকা, বিধায়ক প্ৰশান্ত ফুকন, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী প্ৰমুখ্যে কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**সুঃদঃ / বীঃগঃ**
**৩০/১২/২০২০**